# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ৩০ মাৰ্চত মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত জাবেৰ বিন আব্দুল্লাহ, আঁহজৰত (ছাঃ) ৰ এজন চাহাবী আছিল। হজৰত আব্দুল্লাহ বিন ওমৰ বিন হৰামৰ পুত্ৰ আছিল। মই কেইবা জুমা আগত আব্দুল্লাহ বিন ওমৰ বিন হৰামৰ বিষয়ে উল্লেখ কৰিছিলো যে, আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ) ৰ শ্বহীদ হোৱাৰ পিছত কৈছিল যে, আল্লাহ তায়লা তেখেত (ৰাঃ) ক সুধিছিল যে, তুমি কি ইচ্ছা কৰা ? কোৱা। সেয়া মই পূৰ্ণ কৰিম। তেতিয়া তেখেত (ৰাঃ) য়ে কৈছিল যে হে আল্লাহ ! মোৰ ইচ্ছা হ'ল যে মোক আকৌ জীৱিত কৰি পৃথিৱীলৈ পঠোৱা হওঁক আৰু আকৌ তোমাৰ বাটত শ্বহীদ হৈ যাওঁ। আল্লাহ তায়লা কয় যে এয়া হ'ব নোৱাৰে কাৰণ মৃতকক দ্বিতীয় বাৰলৈ পৃথিৱীত ঘুৰাই পঠোৱা নহয়। যিয়েই নহওঁক ইয়াৰ দ্বাৰা তেখেতৰ কোৰবাণীৰ মান আৰু আল্লাহ তায়লা তেখেতৰ সৈতে কৰা অসাধাৰণ আচৰণ সম্পৰ্কে গম পোৱা যায়। হৰজত জাবেৰ বিন আব্দুল্লাহ লৰালি কালতেই বয়াত উকবা ছানিয়াৰ সময়ত বয়াত কৰিছিল। হজৰত আব্দুল্লাহ বিন ওমৰ বিন হৰামৰ ঘটনাৱলীত এয়া উল্লেখ আছে যে তেখেত নিজৰ পুতেকক কৈছিল যে মই ইহুদীৰ পৰা লোৱা ঋণ, বাগানৰ ফল বিক্ৰি কৰি পৰিশোধ কৰিবা। তেখেত (ৰাঃ) য়ে সেই ঋণ পৰিশোধ কৰিছিল। সেই যুগত বাগান, শস্য আদিৰ ওপৰত ঋণ লোৱাৰ প্ৰথা আছিল। হজৰত জাবেৰ (ৰাঃ) য়েও নিজৰ প্ৰয়োজনীয় খৰচৰ বাবে ঋণ লোৱা কৰিছিল।

হজৰত জাবেৰ বিন আব্দুল্লাহ উল্লেখ কৰিছে যে, মদিনাত এজন ইহুদী আছিল, যিজনে মোৰ খেজুৰ বাগানৰ নতুন ফল অহা লৈকে মোক ঋণ প্ৰদান কৰিছিল। এবাৰ বছৰ পাৰ হৈ গল কিন্তু গছৰ ফল বহুত কম লাগিল। সেই ইহুদীজন অইন বছৰৰ দৰে ঋণ উঠাবলৈ আহিল। মই তেওঁৰ পৰা এবছৰৰ সময় বিচৰাত, সময় দিবলৈ অস্বীকাৰ কৰে। উক্ত ঘটনাৰ খবৰ আঁহজৰত (ছাঃ) য়ে শুনাৰ লগে-লগে তেখেত (ছাঃ) য়ে চাহাবা সকলক কয় যে ব'লা আমি জাবেৰৰ বাবে ইহুদীৰ পৰা সময় বিচাৰি চাওঁ। তেখেত (ছাঃ) য়ে কেইজনমান চাহাবাক লগতলৈ আহি মোৰ বাগানত উপস্থিত হয় আৰু ইহুদীৰ সৈতে কথা পাতে কিন্তু ইহুদীজনৰ এনে আচৰণ দেখি পেলাই তেখেত (ছাঃ) য়ে খেজুৰ গছ সমুহৰ চাৰিওফালে এপাক ঘুৰি আহি আকৌ ইহুদীজনৰ সৈতে কথা পাতে কিন্তু ইহুদীজনে আকৌ সময় বঢ়াবলৈ অস্বীকাৰ কৰে। জাবেৰ (ৰাঃ) য়ে কয় যে ইতিমধ্যে মই বাগানৰ পৰা অলপ খেজুৰ ছিঙি আনি আঁহজৰত (ছাঃ) ক আগবঢ়াই দিওঁ। তেখেত (ছাঃ) য়ে সেই খেজুৰ কেইটা খায় আৰু আকৌ কয় যে জাবেৰ তোমাৰ বাগানৰ পহৰা ঘৰ খন ক'ত ? তাত মোক চাটাই (বিছনা) পাৰি দিয়া, মই অলপ সময় ভাগৰ দিওঁ। মই সেয়া পাৰি দিলো, তেখেত (ছাঃ) য়ে গৈ তাত শুই পৰিল। তেখেত (ছাঃ) য়ে যেতিয়া টোপনীৰ পৰা সাৰ পালে মই আকৌ খেজুৰ আনি সন্মুখত দিলো। তেখেত (ছাঃ) য়ে তাৰ পৰা অলপ খেজুৰ খালে। তাৰ পিছত থিয় হৈ আকৌ ইহুদীজনক সময় খুজিলে কিন্তু তেওঁ মানি নললে। তেখেত (ছাঃ) য়ে আকৌ এবাৰ বাগানৰ চাৰিওফালে পাক মাৰি ঘুৰি আহি কলে যে জাবেৰ গছৰ ফলবোৰ পাৰিবলৈ আৰম্ভ কৰা আৰু ইহুদীৰ ঋণ পৰিশোধ কৰি দিয়া। মই ফলবোৰ ছিঙিব ধৰিলো, তেখেত (ছাঃ) য়ে খেজুৰ গছৰ বাগানত থিয় হৈ থাকিল। মই সেই ফলেৰে ইহুদীৰ ঋণ পৰিশোধ কৰি দিলো তথাপি তাৰে অলপ খেজুৰ ৰৈ গ'ল। মই হুজুৰ (ছাঃ) ক উক্ত সংবাদ দিলো তেতিয়া তেখেত (ছাঃ) য়ে কলে যে মই সাক্ষী দিওঁ যে মই আল্লাহৰ ৰছুল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আমি য'ত আঁহজৰত (ছাঃ) ৰ দোৱা কবুল হোৱাৰ কাৰণে ফলবোৰত বৰকত হোৱাৰ ঘটনা দেখিবলৈ পাওঁ তাত চাহাবা সকলৰ ঋণ পৰিশোধৰ ব্যাকুলতাও দৃষ্টিগোচৰ হয়। গতিকে এয়া হ'ল প্ৰকৃত প্ৰেৰণা, যি মোমিন সকলৰ এটা বিশেষ পাৰ্থক্য সুচক বৈশিষ্ট হোৱা উচিত। নিজকে আহমদী বুলি পৰিচয় দি এই বিষয়টো চিন্তা নকৰে আৰু ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত মেৰ পাক কৰি কাম কৰে আৰু বছৰ পাৰ কৰি দিয়ে। অৱশেষত বিষয়টোত গৈ গোচৰ চলি থাকে। গতিকে আমি ইয়াত হজৰত মছিহ মাওউদ (আঃ) ৰ এই বাণী মনত ৰখা উচিত যে, মোৰ বয়াতলৈ অহাৰ পিছত চাহাবা সকলৰ

আদৰ্শ নিজৰ মাজত ধৰণ কৰা, তেতিয়াহে সেই সুন্দৰতম সমাজ খন গঠিত হ'ব, যি মাহদী আৰু মছিহ অহাৰ পিছত প্ৰতিষ্ঠিত হোৱাৰ কথা আছিল।

ঋণ পৰিশোধৰ গুৰুত্ব সম্পৰ্কে হজৰত জাবেৰ (ৰাঃ) ৰ পৰা ৰেৱায়ত আছে যে, এজন চাহাবী দুই দিনাৰ ঋণ আছিল এনেতে তাৰ মৃত্যু হৈছিল। সেয়ে আঁহজৰত (ছাঃ) য়ে তাৰ জানাজা পঢ়িবলৈ অস্বীকাৰ কৰিছিল, তেতিয়া আন এজন চাহাবীয়ে সেই ঋণৰ জামিন হয় যে মই এই ঋণ পৰিশোধ কৰি দিম। ইয়াৰ পিছতহে তেখেত (ছাঃ) য়ে সেই ব্যক্তিজনৰ জানাজা পঢ়াইছিল। পিছদিনা সেই জামিনদাৰক সুধিছিল যে তুমি যি ঋণ দুই দিনাত পৰিশোধ কৰাৰ জিম্মা লৈছিলা সেয়া পৰিশোধ কৰিছানে নাই ? আকৌ হজৰত জাবেৰ (ৰাঃ) ৰ পৰা ৰেৱায়ত আছে যে আঁহজৰত (ছাঃ) য়ে কৈছে যে যদি কোনো এজন মোমিনে ধন মাল এৰি মৃত্যুবৰণ কৰে সেয়া তাৰ পৰিয়াল বৰ্গই পায় আৰু যদি ঋণ এৰি থৈ যায় আৰু এৰি যোৱা সম্পদে সেয়া পৰিশোধ নহয় অথবা যদি নিৰাশ্ৰয় সন্তান এৰি যায় তেন্তে সেই নিৰাশ্ৰয় সন্তান আৰু ঋণ পৰিশোধৰ দায়িত্ব লোৱা হ'ব। অৰ্থাৎ চৰকাৰৰ ফালৰ পৰা এই দায়িত্ব বহন কৰিব। অনাথ (মাউৰা) সকলৰ লালন পালন আৰু তেওঁলোকৰ খৰচ আদিৰ ব্যাৱস্থা কৰিবলৈ গুৰুত্ব সহকাৰে ইছলামত শিক্ষা দিয়া হৈছে।

এই বিষয়টোৰ দুটা ভাগ দেখিবলৈ পোৱা যায়। প্ৰথমে অকাৰণতে ঋণ লোৱা সকলক বুজাবলৈ যে ঋণ বৰ গুৰুত্বপুৰ্ণ এটা বিষয় গতিকে ঋণী ব্যক্তিৰ আত্মীয় সকলে ইয়াৰ পৰিশোধৰ ভাৰ বহন কৰা উচিত। দ্বিতীয়তে ইছলামী শাসক বৰ্গক এই দায়িত্ব জাপি দিয়া হৈছে যে মাউৰা ল'ৰা ছোৱালীক লালন-পালন কৰে আৰু সিহঁতক ঋণ মুক্ত কৰে। আঁহজৰত (ছাঃ) য়ে আমাক শিক্ষা দিছে যে আমি কেনেকৈ আমাৰ জনগনৰ প্ৰতি লক্ষ্য ৰখা উচিত। কিন্তু দুৰভাগ্য বশতঃ ইছলামী শাসনৰ অধীনত জনতাৰ হ'ক (অধিকাৰ) বেছি লুণ্ঠিত হৈ আছে।

আঁহজৰত (ছাঃ) ৰ জাবেৰ (ৰাঃ) ৰ ওপৰত থকা ভালপোৱা আৰু দয়াৰ আৰু এটা ঘটনাৰ উল্লেখ পোৱা যায়। ৰাৱী কৈছে যে মই হজৰত জাবেৰ (ৰাঃ) ৰ ওচৰত গৈ কওঁ যে আপুনি ৰছুলুল্লাহ (ছাঃ) ৰ পৰা শুনিছে, সেয়া বৰ্ণনা কৰক। হজৰত জাবেৰ (ৰাঃ) য়ে কয় যে, মই এটা ভ্ৰমনত আঁহজৰত (ছাঃ) ৰ লগত আছিলো। যেতিয়া আমি মদিনালৈ ঘুৰি আহিবলৈ লৈছিলো নবী (ছাঃ) য়ে কৈছিল যে যিজনে নিজৰ পৰিয়ালৰ ওচৰত সোনকালে যাব বিচাৰে, তেওঁ অনতিপলমে যাব পাৰে। হজৰত জাবেৰ (ৰাঃ) য়ে কয় যে এই কথা শুনি আমি বেগাই ৰওয়ানা হলো। মই এটা মটীয়া ৰঙৰ উটৰ পিঠিত আৰোহন কৰি আছিলো আৰু লোক সকলে মোৰ পিছে-পিছে আহি আছিল। মই এনেদৰে গৈ আছিলো যে সেই উট থমকি ৰৈ গৈছিল। মই যাবলৈ চলালেও নোযোৱা হৈ গৈছিল। নবী কৰিম (ছাঃ) য়ে সেয়া দেখি মোক কৈছিল যে, জাবেৰ তুমি তাৰ পিঠিত দৃঢ়কৈ ভালদৰে বহি লোৱা। এয়া কোৱাৰ পিছত তেখেত (ছাঃ) য়ে তাক(উটক) নিজৰ চাবুকেৰে এটা আঘাত কৰে, তেতিয়া উটটোৱে নিজৰ ঠাইৰ পৰা জাপ মাৰি যাবলৈ আৰম্ভ কৰে আৰু বেগেৰে গৈ থাকিব ধৰিলে। তেখেত (ছাঃ) য়ে কয় যে এই উটটোক বেচিবা নেকি ? মই উত্তৰ দিওঁ যে, হয়। বেচি দিম। যেতিয়া আমি গৈ মদিনাত উপস্থিত হলো নবী (ছাঃ) য়ে কেইজন মান চাহাবাৰ সৈতে মছজিদত প্ৰবেশ কৰে। মইও তেখেত (ছাঃ) ৰ লগত যাওঁ আৰু সেই উট মই মছজিদৰ সন্মুখত পাথৰৰ গালিচাৰ কাষত বান্দি থলো। মই তেখেত (ছাঃ) ক কলো যে এয়া আপোনাৰ উট। তেখেত (ছাঃ) য়ে ওলাই আহি সেই উটৰ কাষত ঘুৰিপাকি চালে আৰু কলে এই উট আমাৰ উট। নবী (ছাঃ) য়ে কেইবাটাও (চল্লিছ দেৰহম ওজনৰ) সোনৰ আউকিয়া আগবঢ়াই দি কয় যে এয়া জাবেৰক দিয়া। আকৌ তেখেত (ছাঃ) য়ে কয় যে তুমি সম্পূৰ্ণ মুল্য লৈ লৈছানে ? মই উত্তৰ দিওঁ যে, হয় লৈ লৈছো। তেতিয়া তেখেত (ছাঃ) য়ে কয় যে, এই মূল্য আৰু এই উট দুয়োটা তোমাৰ। আঁহজৰত (ছাঃ) য়ে দয়া প্ৰৱণ হৈ উট আৰু তাৰ দাম দুয়ো দি দিয়ে। এয়া আছিল দয়াৰ আচৰণ, যি আঁহজৰত (ছাঃ) য়ে নিজৰ চাহাবা আৰু তেওঁলোকৰ সন্তানৰ সৈতে প্ৰদৰ্শন কৰিছিল। আল্লাহ তায়লা সেই চাহাবী সকলৰ মৰ্যদা উন্নীত কৰক আৰু আমাক তৌফিক দান কৰক যাতে আমি তেওঁলোকৰ সেই নেক কামবোৰ তেনেদৰে সম্পাদন কৰি সকলো দায়িত্ব বহন কৰিব পাৰো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া মই দুজন বুজুৰ্গৰ বিষয়ে উল্লেখ কৰিম। প্ৰথম হ'ল মকৰম বিলাল আদলবি চাহাব (ছিৰিয়া)। তেওঁ ২০১৮ চনৰ ১৭ মাৰ্চত মটৰ দুৰ্ঘটনাত বেয়াকৈ আঘাত পায় আৰু ৰাতি ডেৰ বজাত হৃদ যন্ত্ৰ বিকল হৈ মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। বিলাল চাহাব ১৯৭৮ চনত জন্ম গ্ৰহন কৰিছিল। ১৭ বছৰ বয়সত জমাতৰ

সৈতে তেওঁৰ পৰিচয় ঘটে। তাৰে কিছুদিন পিছত তেওঁ বয়াত কৰি জমাতৰ অন্তৰ্ভূক্ত হয়। সদৰ জমাত ছিৰিয়ায় লিখিছে যে, বিলাল চাহাবৰ এখন স্পোৰ্টচ গাৰ্মেণ্টৰ দোকান আছিল। নিজৰ ভাই ককায়েকক বৰ সহায় কৰিছিল। বৰ কোমল হৃদয়ৰ মানুহ আছিল তেওঁ। তেওঁ দৰিদ্ৰ আহমদী ভাই সকলক বৰ সহায় কৰিছিল। নিজৰ ল'ৰা ছোৱালীক বাৰুকৈয়ে দেখা-শুনা কৰিছিল আৰু ভাল স্কুলত ভৰ্ত্তি কৰি পঢ়িবলৈ দিছিল। নিয়মিত ভাৱে জমাতৰ চান্দা আদায় দিছিল। নমাজ আৰু ইবাদত সমূহ ভালদৰে সম্পাদন কৰিছিল। খিলাফতৰ সৈতে তাৰ প্ৰগাঢ় সম্পৰ্ক আছিল। প্ৰত্যেক জুমাৰ খোতবা তেওঁ মনযোগেৰে শুনিছিল। পিছৰ সপ্তাহত যেতিয়া মই জুমাৰ খোতবাৰ সাৰাংশ শুনাইছিলো তেওঁ সেয়া শুনি মাজে সময়ে মূখ ডাকিলৈ চকুলো টুকিছিল। আৰু কৈছিল যে যেনিবা খলিফা ওয়াক্তে মোৰ বিষয়ে খোতবা দি আছে, যেনিবা মোক কিবা কৈ আছে। তেওঁ মৃত্যুৰ সময়ত এজন পুতেক বয়স ১১ বছৰ আৰু এজনী জীয়েক বয়স ১২ বছৰ, এৰি থৈ যায়।

দ্বিতীয় জন হ'ল ছেলিমা মীৰ চাহিবা (প্ৰাক্তন সদৰ লাজনা ইমাউল্লাহ, কৰাচী) যি জনী আব্দুল কাদিৰ ডাৰ চাহাবৰ পত্নী আছিল। তাই ২০১৮ চনৰ ১৭ মাৰ্চত ৯০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তাইৰ দেউতাক মীৰ ইলাহি বখশ চাহাব মছিহ মাওউদ (আঃ) ৰ এজন চাহাবী আছিল। শিখপুৰ জিলা গুজৰাটৰ বাসিন্দা আছিল। ১৯০৪ চনত বয়াত কৰিছিল। তাইৰ মাক মৰিয়ম বেগম চাহিবা মাদ্ৰাছাতুল খোৱাতিন কাদিয়ানত শিক্ষা লাভ কৰিছিল। কোৰ'আন কৰিম পঢ়া আৰু শিকোৱাৰ প্ৰতি বৰ আকৰ্ষণ আৰু ভালপোৱা আছিল তাইৰ। বিভিন্ন পদবীত তাই লাজনা ইমাউল্লাৰ কাম কৰিবলৈ তৌফিক লাভ কৰিছিল। ১৯৮১ চনত তাইক খলিফাতুল মছিহ ছালিছ (ৰহঃ) য়ে মুনতাজিমাহ কমিটিৰ সদৰ নিযুক্ত কৰে। তাই কয় যে যেতিয়া মোক কমিটিৰ সদৰ নিযুক্ত কৰিলে মই কৰুণ বিননিৰে দোৱাৰ সৈতে আল্লাহ তায়লাৰ সহায় ভিক্ষা কৰিব ধৰিলো। কাম আৰম্ভ কৰি মজলিচ আমলাৰ মিটিং পাতিলো, সকলোৰে সৈতে চা-চিনাকি সহায় সহযোগীতাৰ বাবে সাক্ষাৎৰ ভ্ৰমন কৰি সকলোকে আনুগত্য, সংগঠনৰ সৈতে সম্পৰ্ক, ইছলামী চৰিত্ৰ অনুসৰণ, বিদাতৰ বিৰুদ্ধে জিহাদ আৰু নাজায়েজ অভিযোগ আদি ত্যাগৰ আহ্বান জনালো। ইয়াৰ পিছত ১৯৮৬ চনত তাইক খলিফাতুল মছিহ ৰাবে (ৰহঃ) য়ে সদৰ লাজনা কৰাচী হিচাপে নিযুক্তি দিয়ে। ১৯৮৬ চনৰ পৰা ১৯৯৭ চনলৈ মৰহুমা এই পদ পৰিচালনা কৰিছিল। মৰহুমাৰ দায়িত্ব কালত লাজনা কৰাচীয়ে কিতাপ মুদ্ৰণত বৰ উন্নতি কৰিছিল, যাৰ মাজত ষাটিখন কিতাপ আৰু দুখন মেগাজিন ছপা কৰা হৈছিল। উক্ত কাৰ্য্যত হজৰত খলিফাতুল মছিহ ৰাৱে বৰ সন্তুষ্ট প্ৰকাশ কৰিছিল আৰু কৈছিল যে আপুনি আল্লাহ তায়লাৰ কৃপাত বৰ ভাল কাম কৰি আছে। আল্লাহ তায়লা আপোনাৰ জীৱণত আৰু আনন্দত বৰকত দান কৰক। লগতে আপোনাৰ পৱিত্ৰ সহযোগী সকলক আল্লাহ তায়লা ইহকালত আৰু পৰকালত উত্তম ফল দান কৰক। হজৰত খলিফাতুল মছিহ ৰাৱে আৰু খলিফাতুল মছিহ ছালিছ (ৰহঃ) য়ে মৰহুমাৰ দ্বীনি খিদমতৰ বৰ প্ৰশংসা কৰিছিল। এখন চিঠিত হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ) য়ে লিখিছিল যে আপোনাৰ ফালৰ পৰা ৰিপোৰ্ট লাজনা কৰাচী আৰু চৰম একাগ্ৰতা পূৰ্ণ আগ্ৰহী ঈমান উপস্থাপিত হৈছে। মই আপোনালোকৰ এই একাগ্ৰ আগ্ৰহী ঈমানক হৃদয়ৰ গভীৰতাৰ পৰা অভিনন্দন জনাওঁ আৰু আমাৰ সৃষ্টিকৰ্ত্তাৰ পৰা সদায় আপোনালোকলৈ কল্যাণ বিচৰো আৰু এয়া আবেদন কৰোঁ যে সেই দিন আগত কৈ আৰু বেছি মৰ্যদা সম্পন্ন হওঁক যাৰ কল্পনা মোৰ ওচৰত বহুত প্ৰিয়।

মৰহুমাৰ চাৰিজনী জীয়েকৰ পিছত এজন পুতেকৰ জন্ম হৈছিল। কিন্তু কিছুদিন পিছত সেই ল'ৰাজনৰ মৃত্যু হৈছিল। তাই বৰ ধৈৰ্য্যৰ সৈতে কৈছিল যে আল্লাহ তায়লাৰ আমানত আছিল, সেয়া তেওঁ লৈ লৈছে। সদায় দোৱা কৰোঁতা আছিল তাই। মৰহুমাৰ জীয়েক সকলে কয় যে মাকে আমাক সদায় উপদেশ দিছিল যে খলিফাৰ আঁচল এৰি নিদিবা, খিলাফতৰ সৈতে সদায় জৰিত হৈ থাকিবা। মৰহুমা পৰ্দা সম্পৰ্কে বৰ গুৰুত্ব দিছিল। যতেই পৰ্দাৰ দুৰ্বলতা দেখিছিল তাতেই বৰ সুন্দৰকৈ বুজাইছিল যাতে কোনোধৰণৰ বেয়া নাপায়।

আমতুল বাৰি নাছেৰ চাহিবা কয় যে, আল্লাহ তায়লা বাইদেউ ছেলিমা মীৰ চাহিবাৰ দ্বাৰা লাজনা কৰাচীৰ এক দীঘলীয়া খিদমত লৈ লৈছে। তেখেতে এই পৃথিৱীত এতিয়া নাই কিন্তু তেখেতৰ দ্বাৰা তৰবিয়ত প্ৰাপ্ত সদস্য সকলে পৃথিৱীৰ প্ৰান্তে-প্ৰান্তে লাজনাৰ কাম কৰি তেখেতৰ নাম উজ্বলাই ৰাখিব।

আমতুন্নুৰ চাহিবা (কৰাচী) লিখিছে যে ছেলিমা মীৰ চাহিবা বৰ মৰমীয়াল, নিস্বাৰ্থ ভাৱে অতি সাধাৰণ মনেৰে নিজৰ সন্তাক নেওচি বেলেগৰ কামক প্ৰশংসা কৰোঁতা হাঁহিমূখৰ মহিলা আছিল।

কৰাচীৰ ছেক্ৰেটাৰী ইশায়েত লিখিছে যে, বাইদেউ ছেলিমা মীৰ চাহিবাৰ সৈতে ১৯৮৬ চনৰ পৰা কাম কৰাৰ সুযোগ পাইছিলো। মই তেখেতক দৰিদ্ৰক সহায় কৰোঁতা, আৰু সাধাৰণ মনৰ মানুহ হিচাপে পাইছো। এবাৰ কৰাচীৰ এজনী মহিলা কিবা কাৰণত জমাতৰ পৰা আতৰি গৈছিল। তাইৰ এবাৰ কঠিন বেমাৰ হোৱাৰ খবৰ পোৱা গল, আৰু তাইৰ ওচৰত জমাতৰ কিছুমান মুল্যবান বস্তু আছিল। হজৰত খলিফাতুল মছিহ ৰাবেৰ দোৱা আৰু ছেলিমা মীৰ চাহিবাৰ প্ৰচেষ্টাত মহিলাজনীৰ সৈতে সম্পৰ্ক হ'ল যদিও বস্তুবোৰ যোৱাৰ আগতেই মহিলাজনীৰ মৃত্যু হৈ গ'ল। তাইৰ এজন আত্মীয়ক কোৱা হয় যে এনে-এনে বস্তু তাইৰ যদি আপোনাৰ ওচৰত আছে তেন্তে সেয়া আমাক দিয়ক। আমি তাৰ মূল্য আপোনাক দিম। এনেদৰে এটা চন্দুক পোৱা গল, য'ত হজৰত মছীহ মাওউদ (আঃ) ৰ হাতেৰে লিখা এখন চিঠি আৰু খলিফা আউৱালৰ কিছুমান লিখনী পোৱা গল। সেয়া মৰহুমা ছেলিমা চাহিবায় বৰ বুদ্ধিৰে লৈ লৈছিল। মৰহুমা বৰ ধৈৰ্য্যশীল, বিশ্বাসী, আনুগত্যশীল, আল্লাহ তউৱাক্কাল, নেক মহিলা আছিল। আল্লাহৰ সন্তুষ্টিত সন্তুষ্ট হোৱা মহিলা আছিল। আল্লাহ তায়লা তাইৰ মৰ্যদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 30 March 2018**

**BOOK POST (PRINTED MATTER)**

**To**

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**